# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-12-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ আন্তঃগাথনি উন্নয়নৰ বাবে ৬ কোটি টকাকৈ প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত যমুনামুখত কেইটাবাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই ঘোষণা কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত আন আন খণ্ডৰ লগতে শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি আহিছে।

বাইট

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি যমুনামুখৰ নৱনিৰ্মিত ৰে'লৰে উৰণসেঁতুখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। প্ৰায় ৮৩ কোটি টকা ব্যয়েৰে নিৰ্মিত এই উৰণসেঁতুখনৰ মুঠ দৈৰ্ঘ্য হৈছে ৯৫১ মিটাৰ। এই উপলক্ষে আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি তেওঁ কয় যে এই উৰণ সেঁতুখনে ডবকা, কামপুৰ আৰু যমুনামুখ ৰে'লৰে ষ্টেছনৰ মাজত সুচল যাতায়াত গঢ়ি তুলিব।

০০০০০০০

ধুবুৰী জিলাৰ বিলাসীপাৰা ন্যায়িক দণ্ডাধীশ দীপজ্যোতি হাজৰিকাক আজি কাৰ্যালয় চৌহদতে দুৰ্বৃত্তই আক্ৰমণ কৰে। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত হাফিজুৰ ৰহমান আৰু আতোৱাৰ ৰহমান নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বিলাসীপাৰা আৰক্ষীয়ে জনোৱা মতে, বিলাসীপাৰা সমজিলা কাৰ্যালয়ত কৰ্মৰত প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ দীপজ্যোতি হাজৰিকাক ৰাষ্ট্ৰীয় ঘাইপথৰ পৰাই ৩ জনীয়া এটা দুৰ্বৃত্তৰ দলে অনুসৰণ কৰি আহিছিল। কাৰ্যালয় চৌহদত দণ্ডাধীশগৰাকী গাড়ীৰ পৰা নমাৰ লগে লগেই দুৰ্বৃত্তৰ দলটোৱে অতৰ্কিতে আক্ৰমণ চলায়। অৱশ্যে সেই স্থানত থকা আৰক্ষীয়ে আন আন লোকৰ সহযোগত দলটোৰ দুজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

০০০০০০০

ৰাজ্যৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণক লৈ মন্ত্ৰী গোটে বিধানসভাত প্ৰতিবেদন দাখিল কৰাৰ পিছত জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে গ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰাখিছে। জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মুখ্য আহ্বায়ক আদিত্য খাখলাৰীয়ে আজি এই কথা সদৰি কৰে। সাংবাদিকৰ আগত তেওঁ কয় যে ৰাজ্য চৰকাৰে মন্ত্ৰী গোটৰ প্ৰতিবেদনক লৈ জনজাতীয় সংগঠনসমূহৰ সৈতে আলোচনা কৰিবলৈ সন্মত হোৱাৰ পিছতে প্ৰতিবাদী কাৰ্যসূচী বাতিল কৰা হৈছে। উল্লেখযোগ্য যে কালি পল্টন বজাৰস্থিত জনজাতি জিৰণি

চৰাত জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে মন্ত্ৰী গোটৰ প্ৰতিবেদন দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। এই কাৰ্যসূচীৰ পিছতে তেওঁলোকে আজিৰে পৰা ৰাজ্যজুৰি অনিৰ্দিষ্টকাললৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জনজাতীয় সংগঠনসমূহৰ সৈতে ৰাজ্য চৰকাৰে আলোচনা আগবঢ়াই নিয়াৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীগৰাকীৰ এই ঘোষণাৰ পিছতে আজি জনজাতীয় নেতা আদিত্য খাখলাৰীয়ে কয় যে সমগ্ৰ বিষয়টোক লৈ যিহেতু চৰকাৰে আলোচনা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে সেয়ে সমন্বয়ৰক্ষী সমিতিয়ে গ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচীও সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে।

০০০০০০০

মন্ত্ৰী কৃষ্ণেন্দু পালে আজি হোজাই জিলাৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত আয়োজিত এখন আঁচনি পুনৰীক্ষণ সভাত অংশগ্ৰহণ কৰে। লোক নিৰ্মাণ, পশুপালন, মীন আদি কেইবাটাও বিভাগৰ বিষয়া তথা কৰ্মচাৰীসকলৰ সৈতে আলোচনাত মিলিত হৈ মন্ত্ৰীগৰাকীয়ে আঁচনিসমূহৰ সঠিক ৰূপায়ণৰ বুজ লয়। হোজাই জিলাত শেহতীয়াকৈ ছোৱাইন ফ্লুৰ বাবে গাহৰী পালকসকল যথেষ্ট লোকচানৰ সন্মুখীন হৈছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে মন্ত্ৰীগৰাকীয়ে গাহৰী পালকসকলে কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ পৰা পাবলগীয়া ক্ষতিপূৰণৰ সন্দৰ্ভতো বিশদভাৱে আলোচনা কৰে।

০০০০০০০

যোৰহাট জিলা আয়ুক্তই আজি জিলাখনৰ অন্তৰ্গত চাহ বাগিছাৰ শ্ৰমিকসকলৰ বিভিন্ন সমস্যা তথা আন আনুসংগিক বিষয়সমূহৰ বুজ লয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকত শ্ৰমিক লাইনৰ পট্টা তথা দাগসমূহৰ বৰ্তমানৰ জৰীপৰ অৱস্থা আৰু এই সন্দৰ্ভত প্ৰশাসনে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হয়। এই সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, চক্ৰ বিষয়া, সহকাৰী আয়ুক্তকে ধৰি আন কেইবাগৰাকীও আমোলা বিষয়া উপস্থিত থাকে।

০০০০০০০

অহা মাহৰ প্ৰথম ভাগতে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখন মুকলি কৰাৰ বাবে নিৰ্মাণকাৰী সংস্থাই প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। দলংখনৰ নিৰ্মাণৰ ৯০ শতাংশ কাম প্ৰায় সম্পূৰ্ণ হৈছে বুলি লোক নিৰ্মাণ বিভাগৰ কৰ্তৃপক্ষৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনাইছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নতুন বছৰৰ জানুৱাৰীত দলংখন মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছে। ছটা লেনযুক্ত দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে দিনে-নিশাই কাম অব্যাহত আছে।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**